# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-04-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

***- - - - - - - - - - - - - -***

**HEADLINES (26-04-2025)**

১। ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ পোনপটীয়া সম্প্ৰচাৰ আৰু সুৰক্ষা বাহিনীৰ গতিবিধি সম্পৰ্কীয় বাতৰি সম্প্ৰচাৰ নকৰিবলৈ সকলো মিডিয়া চেনেললৈ নিৰ্দেশনা।

২। দেশৰ বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাত নৱনিযুক্ত ৫১ হাজাৰ প্ৰাৰ্থীক নিযুক্তি মেলাৰ জৰিয়তে নিযুক্তি পত্ৰ প্ৰদান।

৩। ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত। বৰাকত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ব্যাপক প্ৰচাৰ।

৪। বিশ্বৰ ৰোমান কেথলিক চাৰ্চৰ মুৰব্বী পোপ ফ্ৰান্সিছৰ শেষকৃত্য ৰোমৰ ছেইণ্ট মেৰী মেজৰ বেছিলিকাত সম্পন্ন। ভাৰত চৰকাৰৰ হৈ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ শ্ৰদ্ধাঞ্জলি। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতা নাইট ৰাইডাৰ্ছ, পাঞ্জাব কিংছৰ মুখামুখি।

০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ পোনপটীয়া সম্প্ৰচাৰ আৰু সুৰক্ষা বাহিনীৰ গতিবিধি সম্পৰ্কীয় বাতৰি সম্প্ৰচাৰ কৰাৰ পৰা বিৰত থাকিবলৈ সকলো মিডিয়া চেনেললৈ নিৰ্দেশনা জাৰি কৰিছে। ৰাষ্ট্ৰীয় নিৰাপত্তা সুৰক্ষিত ৰখাৰ ক্ষেত্ৰত বিভিন্ন গণমাধ্যম, ডিজিটেল মঞ্চ আৰু জনসাধাৰণৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মন্ত্ৰালয়ে এই নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনাটোত লগতে প্ৰতিৰক্ষা অভিযান নাইবা প্ৰতিৰক্ষা বাহিনীৰ গতিবিধিৰ সন্দৰ্ভত তথ্য নিৰ্ভৰ বাতৰিৰ প্ৰতিবেদন আকাৰে প্ৰস্তুত

কৰাত বাধা আৰোপ কৰা হৈছে। স্পৰ্শকাতৰ তথ্যৰ আগতীয়া প্ৰকাশৰ ফলত সুৰক্ষা বাহিনীৰ কাৰ্যকলাপ প্ৰভাৱান্বিত হোৱাৰ লগতে তেওঁলোকৰ সুৰক্ষাৰ প্ৰতি ভাবুকিৰ সৃষ্টি হ'ব পাৰে বুলিও নিৰ্দেশনাত উল্লেখ কৰা হৈছে। ইয়াৰ বিপৰীতে দায়িত্বশীল বাতৰি সম্প্ৰচাৰৰ ওপৰত মন্ত্ৰালয়ে গুৰুত্ব আৰোপ কৰিছে। কাৰ্গিল যুদ্ধ, মুম্বাই আক্ৰমণ আৰু কান্দাহাৰত বিমান অপহৰণৰ দৰে ঘটনাৰ সময়ত বাতৰিৰ জৰিয়তে অনিয়ন্ত্ৰিত সম্প্ৰচাৰে ৰাষ্ট্ৰীয় সুৰক্ষাৰ ক্ষেত্ৰত নেতিবাচক প্ৰভাৱ পেলাইছিল বুলিও মন্ত্ৰালয়ে উল্লেখ কৰে। কেবল, টেলিভিশ্বন নেটৱৰ্ক সংশোধনী নীতি অনুসৰিও সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ পোনপতীয়া সম্প্ৰচাৰৰ কোনো কাৰ্যসূচী টেলিভিশ্বনযোগে সম্প্ৰচাৰ কৰিব পৰা নাযায়। মন্ত্ৰালয়ে লগতে সকলো টিভি চেনেলকে কেবল টিভি নেকৱৰ্ক আইন ২০২১ মানি চলাৰ পৰামৰ্শ দিছে।

০০০০০

কাশ্মীৰৰ পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক সমৰ্থন কৰা লোকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে বিভিন্ন স্থানত অভিযান অব্যাহত ৰাখিছে। পহলগামৰ নৃশংস ঘটনাৰ সন্দৰ্ভত সামাজিক মাধ্যমত দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগত আজি গুৱাহাটীৰ পৰা ডিম্পল বৰুৱা ওৰফে দধীচি ডিম্পলক গোলাঘাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। একেদৰে শ্ৰীভূমি জিলাৰ কালিগঞ্জৰ পৰা মুস্তাক আহমেদ ওৰফে ছাহিল হক নামৰ যুৱক এজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। কামৰূপ জিলাৰ হাজোৰ পৰা আন এজন লোকক অনুৰূপ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে দেশ বিৰোধী মন্তব্য কৰা লোকক গ্ৰেপ্তাৰ কৰা হ'ব। সামাজিক মাধ্যমত আপত্তিজনক পোষ্ট পৰীক্ষা কৰি থকা হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

**ৰাইট (চি এম)**

০০০০০

দেশৰ বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাত নৱ নিযুক্ত ৫১ হাজাৰ প্ৰাৰ্থীক নিযুক্তি মেলাৰ জৰিয়তে আজি আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ প্ৰদানৰ শুভাৰম্ভ কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানৰ অংশ হিচাপে গুৱাহাটী কৰ ভৱনত আয়োজিত নিযুক্তি মেলাৰ কাৰ্যসূচীত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰি প্ৰায় দুশ গৰাকী প্ৰাৰ্থীক আনুষ্ঠানিকভাৱে নিযুক্তিপত্ৰ বিতৰণ কৰে। তেওঁ সকলো নৱ নিযুক্ত প্ৰাৰ্থীক দেশৰ সেৱাত দায়বদ্ধ হৈ সমৃদ্ধিশালী ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত শক্তিশালী ভূমিকা পালন কৰিবলৈ আহ্বান জনায়।

**ৰাইট**

এই অনুষ্ঠানতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কাশ্মীৰৰ সন্ত্ৰাসবাদী আক্ৰমণক কঠোৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে পাকিস্তানৰ বিৰুদ্ধে গ্ৰহণ কৰা বলিষ্ঠ সিদ্ধান্তক প্ৰশংসা কৰে। তেওঁ কয় যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে সমগ্ৰ দেশবাসী একত্ৰিত হৈছে আৰু এই বৰ্বৰ মানসিকতাৰ লোকসকলক দৃষ্টান্তমূলক শাস্তি বিহা হ'ব।

০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেই যাত্ৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী ৰে'ল ষ্টেচনত এ আই চালিত চিচি কেমেৰা সংস্থাপন কৰিছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াই জনোৱা অনুসৰি গুৱাহাটীৰ

ৰে'ল ষ্টেচনত ১৩৪টা এ আই চালিত কেমেৰা প্ৰতিটো প্লেটফৰ্ম, জিৰণিকক্ষৰ লগতে ষ্টেচনটোৰ গুৰুত্বপূৰ্ণ স্থানত সংস্থাপন কৰা হৈছে। একেদৰে গুৱাহাটী ৰে'ল ষ্টেচনটোৰ ২০টা স্থানত পেনিক বুটাম লগোৱা হৈছে। এক কোটি ৩০ লাখ টকা ব্যয় সাপেক্ষে এই ব্যৱস্থা কৰা হৈছে বুলি জনসম্পৰ্কৰক্ষী বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে হয়বৰগাঁও ষ্টেচনতো যাত্ৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি এ আই চালিত কেমেৰা সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে। পৰৱৰ্তী সময়ত ৰাজ্যৰ আন আন স্থানত থকা গুৰুত্বপূৰ্ণ ৰে'লৰে ষ্টেচনত এ আই চালিত কেমেৰা সংস্থাপন কৰা হ'ব।

ooooo

পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে ব্যাপক প্ৰচাৰ অভিযান চলাইছে। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিদিনে নিৰ্বাচনী প্ৰচাৰত অংশ লৈছে। মুখ্যমন্ত্ৰগৰাকীয়ে আজি বৰাকৰ কেইবাটাও স্থানত নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীভূমি জিলাৰ নিলাম বজাৰত আয়োজিত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপি সমৰ্থিত প্ৰাৰ্থীসকলক ভোট দিব আহ্বান জনায়।

**বাইট (চি এম)**

শ্ৰীভূমিত আয়োজিত সংকল্প সভাখনত মন্ত্ৰী কৃষ্ণেন্দু পাল, মন্ত্ৰী কৌশিক ৰায়, বিধায়ক বিজয় মালাকাৰ, কমলাক্ষ দে পুৰকায়স্থসহ জিলা বিজেপিৰ শীৰ্ষ নেতা উপস্থিত থাকে। মুখ্যমন্ত্ৰীগৰাকীয়ে শিলচৰ আৰু হাইলাকান্দিতো দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই **চৰাইদেউ** জিলাৰ মাহমৰা সমষ্টিৰ কচুমাৰীত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীক দলীয় সমৰ্থকসকলে বিহু নাচেৰে আদৰণি জনোৱা হয়।

শিক্ষামন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ডা০ ৰণোজ পেগুৱে ধেমাজি জিলাত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। মন্ত্ৰীগৰাকীয়ে আজি ধেমাজি বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰিটাকৈ পঞ্চায়তত আয়োজিত কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে সমষ্টিটোৰ জীয়াধল, হাতীগড়, বাটঘৰীয়া আৰু লক্ষীপথাৰ গাঁও পঞ্চায়তত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

ooooo

মানকাচৰত অহা ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে হাটশিঙিমাৰী জিলা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে হাটশিঙিমাৰীত আয়োজিত প্ৰিজাইডিং আৰু প'লিং বিষয়াৰ দুদিনীয়া প্ৰশিক্ষণৰ আজি সামৰণি পৰে। এই প্ৰশিক্ষণ কাৰ্যসূচীত এহেজাৰ ৮৫১ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়াই অংশগ্ৰহণ কৰে। সম্পূৰ্ণ মহিলাৰ দ্বাৰা পৰিচালিত হ'বলগীয়া ২৫টা ভোটগ্ৰহণ কেন্দ্ৰত নিয়োজিত শতাধিক মহিলা প্ৰিজাইডিং আৰু প'লিং বিষয়াকো প্ৰশিক্ষণ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে দক্ষিণ শালমাৰা- মানকাচৰ জিলাৰ মানকাচৰ বিধানসভা সমষ্টিৰ অধীনত ৩৫ খন গাঁও পঞ্চায়তত ৪০৬টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব। বাংলাদেশ সীমান্তৱৰ্তী জিলাখনৰ প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

**কামৰূপ** জিলাৰ আমিনগাঁৱত থকা সংহত জিলা কাৰ্যালয়ৰ সভাকক্ষত পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সহযোগিতাত অনুষ্ঠিত সভাখনত বেলট পেপাৰ, ডাটা মেনেজমেণ্ট, প্ৰশিক্ষণ, পৰিবহণ, নিৰ্বাচনী সামগ্ৰী, ষ্ট্ৰং ৰুম সম্পৰ্কীয় বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়সমূহ আলোচনা কৰা হয়।

**গোলাঘাট** জিলা প্ৰশাসনৰ উদ্যোগত আজি নিৰ্বাচনী পৰ্যবেক্ষক মধুসূদন দাসৰ উপস্থিতিত প্ৰিজাইডিং আৰু প'লিং বিষয়াৰ বিশেষ প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণ কাৰ্যসূচীত মহিলা প্ৰিজাইডিং আৰু প'লিং বিষয়া উপস্থিত থাকে।

ooooo

বিশ্বৰ ৰোমান কেথলিক চাৰ্চৰ মুৰব্বী পোপ ফ্ৰান্সিছৰ শেষকৃত্য আজি ৰোমৰ ছেইণ্ট মেৰী মেজৰ বেছিলিকাত সম্পন্ন হয়। ভেটিকান চিটীৰ ছেইণ্ট পিটাৰ্ছ স্কুৱেৰৰ পৰা ভাৰতীয় সময় অনুসৰি আজি দিনৰ ডেৰ বজাত আৰম্ভ হোৱা শেষযাত্ৰাত ২ লাখৰো অধিক লোকে অংশগ্ৰহণ কৰে। এই শেষকৃত্য কাৰ্যসূচীত বিশ্বৰ ভালেকেইগৰাকী ৰাষ্ট্ৰপ্ৰধান আৰু প্ৰতিনিধিয়েও অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ভাৰত চৰকাৰ আৰু দেশৰ জনসাধাৰণৰ হৈ তেওঁৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। শেষকৃত্য কাৰ্যসূচীত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প, ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ', ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ইনাচিঅ' লুলা দ্যা ছিলভা, ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কি আৰু আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতি জেভিয়াৰ মিলেই উপস্থিত থাকে।

উল্লেখযোগ্য যে যোৱা ২১ এপ্ৰিলত মৃত্যু হোৱা পোপ ফ্ৰান্সিছৰ শেষকৃত্য কাৰ্যসূচীত অংশগ্ৰহণৰ উদ্দেশ্যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া ভ্ৰমণসূচীৰে কালি ভেটিকান চিটীত উপস্থিত হয়। শ্ৰীমতী মুৰ্মুৰ সৈতে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজু, সংখ্যালঘু পৰিক্ৰমা ৰাজ্যমন্ত্ৰী জৰ্জ কুৰিয়ান আৰু গোৱা বিধানসভাৰ উপাধ্যক্ষ জোশুৱা ডি ছুজাও ভেটিকান চিটিলৈ গৈছে।

পোপ ফ্ৰান্সিছৰ প্ৰতি সন্মান জনাই ভাৰতে ২২ এপ্ৰিলৰ পৰা আজিলৈকে তিনি দিনীয়া ৰাষ্ট্ৰীয় শোক পালন কৰে।

ooooo

ধুবুৰীৰ পাঁচমহলীয়া জিলা ন্যায়িক আদালত ভৱন আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণৱে ন্যায়িক আদালত ভৱন উদ্বোধন কৰে। উদ্বোধনী কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আয়োজিত অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়া উপস্থিত থাকে। অনুষ্ঠানত জিলা ন্যায় পালিকা আৰু ধুবুৰী উকিল সন্থাৰ তৰফৰ পৰা কেইবাজনকো সম্বৰ্ধনা জনোৱা হয়। আজিৰ অনুষ্ঠানত জিলা ন্যায় পালিকাৰ অন্যান্য ন্যায়াধীশ, কৰ্মচাৰী, জিলাখনৰ আৰক্ষী অধীক্ষক, জিলা প্ৰশাসনৰ শীৰ্ষ আমোলা বিষয়াকে ধৰি ধুবুৰী উকিল সন্থাৰ বিষয়ববীয়া উপস্থিত থাকে।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি পুৱতি নিশা অহা ধুমুহা বৰষুণৰ ফলত ব্যাপক ক্ষতি হয়। ডিব্ৰুগড় জিলাৰ বিভিন্ন প্ৰান্তত বৰষুণৰ ফলত ঠায়ে ঠায়ে কৃত্ৰিম বানৰ সৃষ্টি হোৱাৰ বাবে জনজীৱন ব্যাহত হয়। ধুমুহাৰ ফলত কালি ডিব্ৰুগড় অভিমুখী বিবেক এক্সপ্ৰেছ ৰেলগাড়ীখনৰ সন্মুখত এজোপা প্ৰকাণ্ড গছ বাগৰি পৰে যদিও সম্ভাব্য বিপদৰ পৰা ৰেলযাত্ৰীসকল ৰক্ষা পৰে।

ওদালগুৰি জিলাৰ বিভিন্ন অঞ্চলত ধুমুহাৰ ফলত বিস্তৰ ক্ষতি হৈছে। জিলাখনৰ ৰৌতাত আমিনপাৰা, সিধাখোৱাকে ধৰি কেইবাটাও স্থানত ধুমুহাই বাসগৃহ, ব্যৱসায়িক প্ৰতিষ্ঠান আদি ক্ষতি কৰে। তদুপৰি ধুমুহাত ঘৰ ভাগি পৰাৰ ফলত কেইবাজনো লোক আহত হয়। ধাৰাষাৰ  বৰষুণ আৰু ধুমুহৰ ফলত অঞ্চলটোৰ কৃষকসকলৰ খেতি বাতিও নষ্ট হয়। ইপিনে বিদ্যুতৰ তাৰ চিগি যোৱাৰ ফলত বিভিন্ন অঞ্চলত বিদ্যুৎ সংযোগ ব্যাহত হৈ আছে। বৰপেটা চহৰত আজি পুৱতি নিশা অহা এজাক ধুমুহা বৰষুণৰ ফলত পথৰ দাঁতিৰ গছ উভালি পৰি কেইবাটাও পথেৰে যাতায়ত ব্যাহত হয়। তদুপৰি বিদ্যুৎ পৰিবাহী খুটা উভালি পৰাৰ ফলত কেইবাটাও অঞ্চলৰ বিদ্যুৎ সেৱা ব্যাহত হয়।

০০০০০

কাহিলিপাৰাৰ মাধ্যমিক শিক্ষা সঞ্চাকালয়ে নিৰ্দেশনাযোগে ৰাজ্যৰ ৯২ খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিছে। কামৰূপ জিলাৰ সৰ্বাধিক ১৬ খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছে।

০০০০০

বঙাইগাওঁ অসামৰিক চিকিৎসালয়ত আজি ভাৰতীয় শল্য চিকিৎসক সন্থাৰ অসম শাখাৰ সামাজিক সেৱা কাৰ্যসূচীৰ অধীনত বিনামুলীয়া চিকিৎসা শিৰিৰ অনুষ্ঠিত হয়। লেপ্ৰছকপিক আৰু সাধাৰণ শল্য চিকিৎসা শিবিৰত কেইবাগৰাকীও বিশেষজ্ঞ চিকিৎসকে চিকিৎসা আগবঢ়ায়। জিলাখনৰ আয়ুক্ত নৱদীপ পাঠক আৰু জিলাখনৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ বলেন্দ্ৰ নাৰায়ণ ডেকাই শিবিৰটো মুকলি কৰে।

০০০০০

শিলচৰৰ ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠান এনআইটিত আজি ঐক্যতান ২০২৫ শীৰ্ষক এটা বৰ্ণিল সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানৰ জৰিয়তে ভাৰতৰ বৈচিত্ৰময় সংস্কৃতি আৰু ঐতিহ্যক তুলি ধৰাৰ প্ৰয়াস কৰা হয়। পুৱাৰ  ভাগত সাংস্কৃতিক শোভাযাত্ৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই সন্দৰ্ভত প্ৰতিষ্ঠানটোৰ সঞ্চালক ড০ দিলিপ কুমাৰ বৈদ্যই এই অনুষ্ঠানক সামাজিক আৰু সাংস্কৃতিক ঐক্যৰ প্ৰতীক বুলি অভিহিত কৰে। পাঠ্যপুথিৰ গণ্ডিৰ বাহিৰলৈ গৈ ছাত্ৰ- ছাত্ৰীয়ে যাতে দেশৰ পৰম্পৰা, সংস্কৃতি আৰু মূল্যবোধ অনুধাৱন কৰিব পাৰে সেই লক্ষ্য আগত ৰাখি এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে।

০০০০০

আই পি এল  টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতা নাইট ৰাইডাৰ্ছে পাঞ্জাৱ কিংছৰ বিৰুদ্ধে খেলিব। খেলখন কলকাতাৰ ইডেন গাৰ্ডেনছত সন্ধ্যা চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। পাঞ্জাৱ কিংছ নিজৰ ৮ খন খেলৰ ৫ খনত জয়লাভ কৰি বৰ্তমান পইণ্ট তালিকাৰ পঞ্চম স্থানত আছে। কলকাতা নাইট ৰাইডাৰ্ছ ৮ খন খেলৰ ৩ খনত জয়লাভ কৰি সপ্তম স্থানত আছে।

০০০০০

গুৱাহাটী চিটী ফুটবল ক্লাবে গুৱাহাটীত এটা উন্নতমানৰ আৱাসিক ফুটবল একাডেমী আৰম্ভ কৰাৰ কথা ঘোষণা কৰে। মহানগৰীৰ গড়চুকত থকা কাজিৰঙা ইংলিছ একাডেমীৰ চৌহদত উন্নতমানৰ ফুটবল একাডেমীটো গঠন কৰা হ'ব বুলি ক্লাব কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। একাডেমীটোত ছাত্ৰ-ছাত্ৰীসকলে একেলগে একেটা চৌহদত চি বি এছ ই পাঠক্ৰমৰ অধীনত শিক্ষা আৰু উন্নতমানৰ প্ৰশিক্ষণ লাভ কৰিব। অসম অলিম্পিক সন্থাৰ কাৰ্যালয়ত

আজি অনুষ্ঠিত এখন সংবাদমেলত গুৱাহাটী চিটী ফুটবল ক্লাবৰ সঞ্চালক সিদ্ধাৰ্থ শংকৰ ডেকাই এই কথা প্ৰকাশ কৰে। অহা মে' মাহত আগ্ৰহী খেলুৱৈ আৰু অভিভাৱক বাবে বাছনি আৰু কেম্পাছ ভিজিটৰ ব্যৱস্থা কৰা হ'ব বুলি লগতে তেওঁ জানিবলৈ দিয়ে।

ooooo

বজালী জিলাৰ পাটাছাৰকুছিৰ বেজকুছিৰ সমাজহিতৈষী ব্যক্তি শ্ৰীপদ চৌধুৰীৰ শেষকৃত্য আজি অগণন গুণমুগ্ধৰ উপস্থিতিত মুক্তিধাম শ্মশানত সম্পন্ন হয়। শেষকৃত্য অনুষ্ঠানত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে অংশগ্ৰহণ কৰে। শুকুৰবাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হোৱা শ্ৰীপদ চৌধুৰীৰ মৃতদেহ মাজনিশা স্বগৃহলৈ অনাৰ পাছতে শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। আজি পুৱা বজালী জিলা আয়ুক্ত মৃদুল কুমাৰ দাস, জিলা উন্নয়ন আয়ুক্ত আশ্ৰাফুল আমিন, অসম সৌৰভ বঁটাপ্ৰাপক কৃষ্ণ ৰয়কে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তিয়ে নশ্বৰ দেহত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বজালী ক্ৰীড়া সন্থা আৰু পাটাছাৰকুছি শাখা সাহিত্য সভাৰ তৰফৰ পৰাও শ্ৰীপদ চৌধুৰীলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অঞ্চলটোৰ আন অনুষ্ঠান প্ৰতিষ্ঠানেও শ্ৰীপদ চৌধুৰীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

উল্লেখযোগ্য যে গ্ৰন্থ প্ৰকাশনৰ লগত জড়িত শ্ৰীপদ চৌধুৰী বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতেও জড়িত আছিল। শ্ৰীপদ চৌধুৰীৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো গভীৰ শোক প্ৰকাশ কৰিছে।

ooooo

তিনিচুকীয়া জিলাৰ কাকপথাৰৰ চেলেংগুৰি গাওঁ নিৱাসী কিশোৰ চেতিয়াৰ আজি মৃত্যু হয়। বিভিন্ন অনুষ্ঠানৰ প্ৰতিষ্ঠানৰ সৈতে জড়িত চেতিয়াৰ মৃত্যুত বৃহত্তৰ কাকপথাৰ অঞ্চলৰ বিভিন্ন দল সংগঠন, অনুষ্ঠান প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে গভীৰ শোক প্ৰকাশ কৰিছে। পৰিয়াল, আত্মীয় স্বজন আৰু গুণমুগ্ধৰ উপস্থিতিত নিজ বাসগৃহৰ চৌহদত চেতিয়াৰ অন্তেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

ooooo

**ঃঃ সমাপ্ত ঃঃ**